# REGIONAL NEWS UNIT
## ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 14-03-2024
**Time :** 1800 Hrs.

## *Assamese Evening Bulletin*

অসম চৰকাৰে ৰাজ্যৰ কৰ্মচাৰীসকলৰ বাবে যোৱা ১ জানুৱাৰীৰ পৰা কাৰ্যকৰী হোৱাকৈ মৰগীয়া বানচ ৪ শতাংশ বৃদ্ধি কৰিছে। এই অনুসৰি অহা এপ্ৰিল মাহৰ দৰমহাৰ লগত ৪ শতাংশ মৰগীয়া বানচ যোগ হোৱাৰ বিপৰীতে পাবলগীয়া বকেয়া ধন চলিত বছৰৰ মে', জুন আৰু জুলাইত আদায় দিয়া হ'ব। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি জনতা ভৱনত এখন সংবাদমেলত এই কথা ঘোষণা কৰে। ইয়াৰ ফলত ৪ লাখ ৰাজ্যিক কৰ্মচাৰী আৰু প্ৰায় চাৰে ৩ লাখ পেঞ্চনাৰ উপকৃত হ'ব। এই বৃদ্ধিৰ ফলত ৰাজ্যৰ কৰ্মচাৰীসকলৰ মৰগীয়া বানচ ৫০ শতাংশলৈ বৃদ্ধি পালে। মুখ্যমন্ত্ৰীয়ে ব'হাগ বিহু উপলক্ষে চৰকাৰী কৰ্মচাৰীসকলৰ মৰগীয়া বানচ বৃদ্ধিৰ সিদ্ধান্ত লোৱা হৈছে বুলি ঘোষণা কৰে। মুখ্যমন্ত্ৰীয়ে সংবাদমেলত লগতে কয় যে প্ৰাথমিক আৰু মাধ্যমিক বিদ্যালয়ত এতিয়াৰেপৰা চতুৰ্থ শ্ৰেণীৰ কৰ্মচাৰী নিযুক্তিৰ ক্ষেত্ৰত বিদ্যালয়ত থকা গাঁওবোৰৰ পৰা আৰু উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ ক্ষেত্ৰত সংশ্লিষ্ট পঞ্চায়তৰ পৰা মেধাৰ ভিত্তিত নিবনুৱা যুৱক-যুৱতীক নিযুক্তি দিয়া হ'ব বুলি জানিবলৈ দিয়ে। অসমত উদ্যোগৰ বাবে অনুকুল পৰিৱেশ সৃষ্টি হোৱাৰ ফলতে যোৱা দুবছৰত ৰাজ্যখনত ৫০ লাখ কোটি টকাৰ বিনিয়োগ হৈছে বুলিও মুখ্যমন্ত্ৰী ড° শৰ্মাই প্ৰকাশ কৰে। তেওঁ কয় যে চৰকাৰৰ সঠিক নীতিৰ বাবে কেইবাটাও বৃহৎ কোম্পানী অসমত বিনিয়োগৰ বাবে আগ্ৰহী হৈছে। তেওঁ কয় যে উত্তৰ-পূৰ্বাঞ্চল উদ্যোগ উন্নীতকৰণ আঁচনিৰ অধীনত ৰাজ সাহায্য হিচাপে কেন্দ্ৰীয় চৰকাৰে মুঠ ১০ হাজাৰ কোটি টকাৰ আৱণ্টন দিছে। ড° শৰ্মাই কয় যে এই আঁচনিৰ অধীনত ১ কোটি টকা পৰ্যন্ত ব্যয়সাপেক্ষ উদ্যোগ স্থাপন কৰাসকলক ৭ দশমিক ৫ শতাংশ ৰাজ সাহায্য প্ৰদান কৰা হ'ব। একে সময়তে বেংক ঋণতো তেওঁলোকে ৫ শতাংশ সকাহ লাভ কৰিব। তেওঁ কয় যে উৎপাদন খণ্ডৰ সৈতে জড়িত উদ্যোগ স্থাপন কৰাসকলেও এই আঁচনিৰ অধীনত কেন্দ্ৰীয় জি এছ টিৰ ধন ঘূৰাই পাব। মুখ্যমন্ত্ৰীয়ে লগতে কয় যে ঋণ নিশ্চয়তা আঁচনিৰ অধীনত মূলধনী ধন ঘূৰাই দিয়াৰ বাবে SIDBI-ৰ সৈতে হোৱা চুক্তি অনুসৰি বিভিন্ন ৰাষ্ট্ৰীয়কৃত বেংকে অসমৰ ক্ষুদ্ৰ উদ্যোগসমূহক ২০ হাজাৰ কোটি টকাৰ ঋণ প্ৰদান কৰিছে। মুখ্যমন্ত্ৰীয়ে কয় যে চৰকাৰে সেউজ শক্তি উদ্যোগত উৎসাহিত কৰাৰ নীতি, অসম বৈদ্যুতিক উদ্যোগক উৎসাহ প্ৰদান কৰাৰ ব্যৱস্থাও কৰিছে, যাতে অনাগত দিনত বিভিন্ন বৈদ্যুতিক সামগ্ৰীৰ উদ্যোগৰ ব্যৱস্থা কৰিব পৰা যায়। মুখ্যমন্ত্ৰীয়ে অনাগত দিনত ৰাজ্যখনত উদ্যোগৰ ক্ষেত্ৰত অধিক অগ্ৰসৰ হোৱাৰ পথ প্ৰশস্ত বুলিও মন্তব্য কৰে। তেওঁ কয় যে কাইলৈ মুখ্যমন্ত্ৰীৰ আত্মনিৰ্ভৰ অসম আঁচনিৰ শুভাৰম্ভ কৰা হ'ব। তদুপৰি কাইলৈ কামৰূপ মহানগৰ জিলাত ৪ খন উপ-জিলাৰ কাম-কাজ আনুষ্ঠানিকভাৱে আৰম্ভ কৰা হ'ব বুলিও তেওঁ কয়। অসমৰ বাকী উপ-জিলাসমূহৰ কাম-কাজ চলিত বৰ্ষৰ জুলাই মাহৰ পৰা আৰম্ভ হ'ব বুলিও মুখ্যমন্ত্ৰীয়ে জানিবলৈ দিয়ে।

ইপিনে, মুখ্যমন্ত্ৰীগৰাকীয়ে আজি গুৱাহাটীৰ যাতায়াত সুচল কৰাৰ উদ্দেশ্যে ভাৰতমালা পৰিযোজনাৰ অধীনত নিৰ্মিত বশিষ্ঠ উৰণ সেতু আৰু জয়ানগৰ আন্দাৰ পাছ মুকলি কৰে। ছটা লেনযুক্ত উৰণ সেতুখন মুকলি কৰি মুখ্যমন্ত্ৰীয়ে কয় যে ৰাজ্যখনত সুচল যাতায়াত, যান-জঁটমুক্ত পৰিৱেশ সৃষ্টি আৰু সময় ৰাহি কৰাৰ উদ্দেশ্যে ৰাজ্য চৰকাৰে পথ আন্তঃগাঁথনি তথা উৰণ সেতু নিৰ্মাণত গুৰুত্ব দিছে। বশিষ্ঠ উৰণ সেতু প্ৰকল্পত ৪৭ কোটি টকা ব্যয় হৈছে বুলি মুখ্যমন্ত্ৰীয়ে প্ৰকাশ কৰে।

00000000

———চৰকাৰী বিদ্যালয়সমূহৰ শৈক্ষিক প্ৰগতি, আন্তঃগাঁথনি উন্নয়ন আদিকে ধৰি সমগ্ৰ শিক্ষা ব্যৱস্থাক মূল্যায়ন কৰাৰ বাবে অসম চৰকাৰে আৰম্ভ কৰা গুণোৎসৱ ২০২৪ৰ ফলাফল আজি ঘোষণা কৰা হয়। গুৱাহাটীৰ শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত আয়োজিত এটা অনুষ্ঠানত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই এই ফলাফল ঘোষণা কৰে। ৰাজ্যখনৰ ৩৩খন জিলাৰ ৪৩ হাজাৰ ৫৯১ খন বিদ্যালয় আৰু ৩৯ লাখ শিক্ষাৰ্থীক সামৰি লোৱা এই গুণোৎসৱত ৮১ শতাংশৰো অধিক বিদ্যালয়ে **এ প্লাছ** অথবা **এ গ্ৰেড** লাভ কৰিছে। মুখ্যমন্ত্ৰীগৰাকীয়ে একেটা অনুষ্ঠানতে ২০২৩ বৰ্ষৰ গুণোৎসৱত এ প্লাছ গ্ৰেড লাভ কৰা ১২ হাজাৰ ৪৭ খন বিদ্যালয়ক পাৰিতোষিক প্ৰদান কৰে। ইফালে, ঘোষিত ফলাফল অনুসৰি গুণোৎসৱত ২০২৪ত শিৱসাগৰ জিলাই ৰাজ্যৰ ভিতৰত শীৰ্ষস্থান দখল কৰিছে। জিলাখনৰ মূল্যায়ন কৰা ৭০০ বিদ্যালয়ৰ ভিতৰত ৪৩২ খনে **এ প্লাছ,** ২৪৩ খনে **এ-গ্ৰেড,** ২৩ খনে বিদ্যালয়ে **বি-গ্ৰেড** আৰু দুখন বিদ্যালয়ে **চি-গ্ৰেড** লাভ কৰিছে। জিলাখনৰ কোনো এখন বিদ্যালয়ে **ডি-গ্ৰেড** লাভ কৰা নাই। উল্লেখযোগ্য যে ৰাজ্যখনৰ ৩৩খন জিলাত অনুষ্ঠিত হোৱা এই মূল্যায়নত শিৱসাগৰ জিলাই ধাৰাবাহিকভাৱে পঞ্চমবাৰৰ বাবে শীৰ্ষস্থান দখল কৰিছে।

ইফালে, এই গুণোৎসৱত যোৰহাট জিলাই তৃতীয়স্থান দখল কৰিবলৈ সক্ষম হৈছে।

00000

গোলাঘাট জিলাৰ খুমটাই বিধানসভা সমষ্টিৰ গড়মৰা চাপৰিত RIDF-ৰ আৱণ্টিত পুঁজিৰে ৩ দশমিক ৭ কিলোমিটাৰ দৈৰ্ঘ্যৰ মথাউৰিটো পকীপথলৈ উন্নীতকৰণ কৰা হয়। এই কাম সম্পূৰ্ণ হোৱাৰ পিছত আজি স্থানীয় বিধায়ক মৃণাল শইকীয়াই পথটো ৰাইজৰ বাবে মুকলি কৰে। এই উপলক্ষে আয়োজিত অনুষ্ঠানত জিলা প্ৰশাসন আৰু জলসম্পদ বিভাগৰ কেইবাগৰাকীও বিষয়া উপস্থিত আছিল।

00000

**সমাপ্ত**